জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৮/২০২১

# প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ দ্বাৰা আয়োজিত যুৱ নেতৃত্ব সমাৰোহ, ২০২১ত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## যুৱ শক্তি মহাশক্তি, এই শক্তিক অবাবতে অপব্যয় নকৰি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত প্ৰয়োগ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ দ্বাৰা আয়োজিত যুৱ নেতৃত্ব সমাৰোহ, ২০২১ত অংশগ্ৰহণ কৰে। শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন জিলাৰ পৰা অহা যুৱ নেতাসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে স্বামী বিবেকানন্দৰ জন্ম দিৱসৰ এই পৱিত্ৰ দিনটোতে ভাৰতীয় সমাজখনে বিশ্বশ্ৰেষ্ঠ হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ সংকল্প গ্ৰহণ কৰিছে। ভাৰতীয় সমাজ পাঁচ হাজাৰ বছৰীয়া সভ্যতা সংস্কৃতিৰে সমুজ্জ্বল। স্বামী বিবেকানন্দই ১৮৯৩ চনতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত আয়োজিত বিশ্ব আধ্যাত্মিক সন্মিলনত ভাৰতবৰ্ষৰ এই শক্তিৰ কথা বিশ্ববাসীৰ আগত সগৌৰৱে প্ৰতিষ্ঠা কৰিছিল। এই আদৰ্শৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও আমাৰ দেশক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে আমাক লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিছে। ভাৰতবৰ্ষক বিশ্বৰ যুৱশক্তিৰ প্ৰাণকেন্দ্ৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেয়েহে 'যুৱশক্তিৰ দ্বাৰা নেতৃত্ব বহনকাৰী উন্নয়ন'ৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ২০১৪ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰতিখন ৰাষ্ট্ৰীয় আঁচনিতে যুৱক-যুৱতীসকলৰ সবলীকৰণৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। এই প্ৰসংগত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ডিজিটেল ইণ্ডিয়া, স্কীল ইণ্ডিয়া, মেক ইন ইণ্ডিয়া আদি পদক্ষেপৰ বিষয়ে উল্লেখ কৰে।

যুৱ শক্তিক মহাশক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ যুৱক-যুৱতীসকলৰ মাজতো অপাৰ সম্ভাৱনীয়তা নিহিত হৈ আছে। এই শক্তিক অবাবতে অপব্যয় নকৰিবলৈ আহ্বান জনাই তেওঁ কয় যে এই শক্তিক আমি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত প্ৰয়োগ কৰিব লাগিব। ৰাষ্ট্ৰ ধৰ্ম পালন কৰি এইখন ৰাষ্ট্ৰৰ বাবে সমৰ্পিত হৈ সততা, নিষ্ঠাৰে কাম কৰিবলৈ ভাৰত মাতাই আমাক সকলোকে উদ্বুদ্ধ কৰিছে। যুৱ বয়স অসাধ্য সাধনৰ সময় বুলি উল্লেখ কৰি তেওঁ কয় যে এই শক্তিৰ সুপ্ৰয়োগেৰে বিশ্বৰ ৭৭০ কোটি মানুহৰ আগত ভাৰতবৰ্ষক নতুন ৰূপত চিনাকি দাঙি ধৰিববৰ বাবে আমি কাম কৰিব লাগিব।

স্বামী বিবেকানন্দৰ লগতে মহান ভাৰতীয় ৰাষ্ট্ৰীয়তাবাদ প্ৰতিষ্ঠাত শ্যামা প্ৰসাদ মুখাৰ্জীৰ অৰিহণাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে 'এক প্ৰধান, এক নিচান, এক সংবিধান'ৰ আদৰ্শৰে উদ্বুদ্ধ হৈ আমি 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' গঢ়াৰ বাবে সমৰ্পিত মনোভাবেৰে কাম কৰিব লাগিব। দেশৰ বিভিন্ন

প্ৰান্তৰ লোকৰ লগত বন্ধুত্বৰ সম্পৰ্কেৰে বান্ধ খাই পৰস্পৰৰ সভ্যতা-সংস্কৃতিৰ বিনিময়েৰে ৰাষ্ট্ৰৰ বিকাশৰ বাবে একেলগে কাম কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ৰাজ্যসমূহৰ মাজত মৈত্ৰী স্থাপনৰ জৰিয়তে 'টীম ইণ্ডিয়া'ৰ মানসিকতাৰে কাম কৰিববলৈ জনোৱা আহ্বানৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১২৫ কোটি ভাৰতীয়ৰ ২৫০ কোটি হাতৰ সমন্বিত শক্তিৰে আমি এখন নতুন ৰাষ্ট্ৰ গঢ়িব লাগিব।

যুৱ নেতৃত্ব সমাৰোহৰ আয়োজনৰ জৰিয়তে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক উদ্বুদ্ধ কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত নিয়োজিত কৰাৰ বাবে লোৱা উদ্যোগৰ বাবে মুখ্যমন্ত্ৰীয়ে সমাজকৰ্মী বশিষ্ঠ বুজৰবৰুৱা প্ৰমুখ্যে প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ কৰ্মকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰে।

অনুষ্ঠানত ৰাজ্য চৰকাৰৰ শিক্ষা, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বামী বিবেকানন্দৰ জীৱন দৰ্শনৰ বিষয়ে সুদীৰ্ঘ বক্তব্য আগবঢ়ায়। জ্যোতি চিত্ৰবনৰ অধ্যক্ষ পবিত্ৰ মাৰ্ঘেৰিটাই আঁত ধৰা আজিৰ এই অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা, প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ অন্যতম আহবায়ক তথা বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া, গায়ক জিতুল সোণোৱাল আৰু অভিনেত্ৰী গায়ত্ৰী মহন্তৰ লগতে ৰাজ্যখনৰ বিভিন্ন জিলাৰ এক শতাধিক মহাবিদ্যালয়ৰ পৰা অহা ৯৩৩ গৰাকী যুৱনেতাই অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ**
**১২/০১/২০২১**